# দেবেন চাপকোটাৰ কবিতা

Issue: Vol. IV, No. 2, August-October, 2025

**ধনশিৰী নদীৰ ক্ৰন্দন**

ধলপুৱাতে ধ্যানমগ্ন মই ধনশিৰীৰ পাৰত।
হাতত ৰুদ্ৰাক্ষৰ মালা, হৃদয়ত তন্ময়তা
ধনশিৰী মৃদুভাৱে গুঞ্জৰিত মোৰ মন-মন্দিৰত,
এটি প্ৰশান্ত প্ৰভাত, প্ৰকৃতিৰ সৌম্য উপস্থিতি
চৰাইবোৰৰ কিচিৰ-মিচিৰ মাত, ঘন জংঘল চাৰিওফালে।

হঠাৎ এটি শীৰ্ণ মাতে কম্পিত কৰিলে মোৰ অন্তঃকৰণ–
"বান্ধিলে মোক কৰি ক্ষীণাংগ, হাইড্ৰ'পাৱাৰ ৰনামত
কাতি সলাবও নোৱাৰা হৈছোঁ।
শ্বাসৰুদ্ধ মই প্লাষ্টিক প্ৰদূষণত,
কাঢ়ি নিলে শিল-বালি মোৰ বুকুৰপৰা
চিৰাচিৰ কৰি মোৰ অঙ্গ-প্ৰত্যঙ্গ
ক'ত আশ্ৰয় ল'ব মোৰ জলজ প্ৰাণীবোৰে?
কলুষিত মই, নিজেই নিজক নেদেখা হ'লোঁ।
পাৰ শিলকোৱাৰীৰ কৰ্কশ শব্দত
হেৰাই যায় মোৰ কুলুকুলু স্বৰ।
মোক বচোৱা, হে ত্ৰাণকৰ্তা, এই বিপৰ্যয়ৰপৰা!"

সকৰুণ মলিয়ন ৰুগ্ন ধনশিৰীয়ে থিয় দিলে মোৰ অৱচেতনত নিৰলে।

চমকি উঠিলোঁ মই, মেলিলোঁ চকু,
সৰি পৰিল মালা, বিচ্ছুৰিত হ'ল মণিবোৰ
জলচৰ, উদ্ভিদ, চৰাই, জন্তু আদি পৰিৱেশতন্ত্ৰৰ উপাদানবোৰ
ছিঙিল মালা, ছেদিল মোৰ হৃদয় ধনশিৰীৰ ক্ৰন্দনে।
নদীৰ কৰুণ বিননিত স্তম্ভিত হ'লোঁ
জীৱশ্ৰেষ্ঠ মানৱ হোৱাৰ আত্মগ্লানিত দগ্ধ হ'লোঁ।

**ডা: দেবেন চাপকোটা** নেপালী ভাষাৰ এগৰাকী কবি, গল্পকাৰ আৰু অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক। অসমীয়া ভাষাতো তেওঁ কাব্য-চৰ্চা কৰে। নেপালী ভাষাত তেওঁৰ পাৰিপাৰ্শ্বিক কবিতাৰ এখন সংকলন প্ৰকাশ পাইছে।